কলেজীয়া জীৱনতে ৰাভাই স্বাধীনতা আন্দোলনত জপিয়াই পৰে। তেতিয়া তেওঁ ভিক্টোৰীয়া কলেজৰ ছাত্ৰনেতা। সাম্ৰাজ্যবাদী শক্তি আৰু দেশীয় দালাল পুঁজিবাদী, শোষক শ্ৰেণীৰ ঘোৰ শত্ৰু বিষ্ণু ৰাভাই সেই সময়তে কোচবিহাৰৰ ৰাজ প্ৰাসাদৰ সদৰ দৰজাত আঁৰি দিছিল স্ব-ৰচিত পদ্য পোষ্টাৰ -

"ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা,
ৰাজ্যেৰ যদি মংগল চাও
দুইটি পাঠাই বলি দাও...... ।"

১৯২৮ চনত ৰাভাই লগ পায় বিশ্ব বিখ্যাত প্ৰাইমা বেলোৰিণা আনা পাভলোভাক। আনা পাভলোভাই ৰাভাক উপদেশ দিছিল অসমীয়া কৃষ্টি-সংস্কৃতিৰ লগত হৃদয়ৰ আত্মীয়তা স্থাপন কৰিবলৈ। সেয়ে অসমলৈ ঘূৰি আহি ৰাভাই অসমীয়া কলা-কৃষ্টিৰ মুকুতা গোটোৱাত ব্ৰতী হয়। তেওঁ কৈছিল—'শিল্পী হবলৈ হ'লে ঝঞ্ঝা-বিজয়ী আত্মাৰ অধিকাৰী হব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ' [ সৈনিক শিল্পী বিষ্ণু ৰাভা ]। একে সুৰতে জ্যোতি প্ৰসাদেও কৈছিল— 'শিল্পীৰ কাম হ'ল বোকা মাটিৰ তলত ঢাক খাই থকা ৰাইজৰ অন্তৰৰ মণি-মুকুতা ধুই পখালি নিকাকৈ লোৱা।'— 'ৰাভাই যেন তাৰেই পৰীক্ষা হাতে কামে চলাইছিল' [ 'সৈনিক শিল্পী বিষ্ণু ৰাভা' ]।

বিষ্ণু ৰাভাই কৃষ্টি-সভ্যতাৰ আদৰ্শনীয় ব্যক্তি হিচাপে শ্ৰীকৃষ্ণ, মহাপুৰুষ শংকৰদেৱ আৰু ইটালিৰ লিয়োনাৰ্ডো ডা ভিঞ্চিক গ্ৰহণ কৰে।

সাম্যবাদৰ প্ৰতি অনুপ্ৰাণিত হৈ ৰাভাই মাৰ্ক্সবাদ অধ্যয়ন কৰে। শ্ৰেণীহীন সমাজ গঢ়িবলৈ ৰাভাদেৱ আছিল শোষিত কৃষকৰ হৃদয়বান সংগী যাৰ বাবে তেওঁ পৈতৃক সম্পত্তি দুই হেজাৰ বিঘা মাটিৰ মালিকীস্বত্ব হেলাৰঙে ত্যাগ কৰি আৰম্ভ কৰিছিল জীৱনৰ আন এটি অধ্যায়। শোষিত কৃষকক শোষণ মুক্ত কৰাৰ উদ্দেশ্যে ৰাভাই গাঁৱে-ভূঁয়ে সংগঠন কৰি ফুৰাৰ সফল কাহিনীৰে এই অধ্যায় পৰিপূৰ্ণ। এই কামৰ শাস্তি স্বৰূপে লাভ কৰা ৰাজ-ৰোষৰ পৰা হাত সাৰিবলৈ তেওঁ পলাই ফুৰিবলগীয়া হৈছিল গাঁৱে ভূঁয়ে, দিহিঙে-দিপাঙে, শ্ৰম-জীৱী কৃষক-বনুৱাৰ মাজে মাজে। আৰু এই সময়ছোৱাতে তেওঁৰ শিল্পী মনে তেওঁক প্ৰেৰণা দিছিল অসমীয়া কৃষ্টি-সংস্কৃতিৰ অনুপম মণি-মুকুতা সমূহ বুটলি লৈ হেঙুল-হাইতালেৰে সজাই পৰাই বিশ্বৰ দৰবাৰত প্ৰদৰ্শন কৰিবলৈ। জীৱনৰ ৰংগমঞ্চত সৈনিক শিল্পীৰ ভাও লৈ এনেকৈয়ে তেওঁ সাজিছিল সৈনিক শিল্পী। শিল্পৰ মাজেৰে, গানৰ মাজেৰে তেওঁ কৰি গৈছিল সঁচা সৈনিকৰ কাম ঃ

"ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তি দল
অসমীয়া বনুৱা অসমীয়া
আগ বাঢ়ি যাওঁ ব'ল,
তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল
ৰণৰ শিঙা বাজে আজি ঐ
আগবাঢ়ি যাওঁ ব'ল... ..."

আগতে উন্নুকিয়াই অহাৰ দৰে বিষ্ণু ৰাভা আছিল ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ দৰে মহাপুৰুষ শংকৰদেৱৰ আদৰ্শেৰে অনুপ্ৰাণিত। তেওঁ দেখা পাইছিল শংকৰদেৱৰ জীৱনাদৰ্শত নিহিত হৈ থকা সত্য, শিৱ, সুন্দৰৰ বিশাল গুণৰাশি। শ্ৰীমন্ত শংকৰৰ—

'ব্ৰাহ্মণ চণ্ডাল নিবিচাৰি কুল।
দাতাৰ চোৰত দৃষ্টি সমতুল॥
কুকুৰ চণ্ডাল গৰ্দভৰ আত্মা ৰাম।' আদি

অমূল্য বাণীয়ে দিছিল তেওঁক নতুন জ্ঞানৰ নতুন দিগন্তৰ সন্ধান— কবি তুলিছিল শ্ৰীমন্তৰ প্ৰতি ভক্তি-গদ্‌গদ্ ঃ

'দুৰ্গম নদ পাহাৰ গিৰি
লম্ভিছিলে ডেকা গিৰি
সুন্দৰ শংকৰে লৰি কৰিছিলে তল
দেখুৱাইছিল জগতজুৰি অসীম বাহুৰ বল ··'

ৰাভাদেৱে নিজহাতে অঁকা উল্লেখযোগ্য ত্ৰিশ-একত্ৰিশখন ছবিৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ ছবি আছিল অন্যতম। শংকৰদেৱৰ একান্ত অনুগত শিষ্য মহাপুৰুষ মাধৱদেৱৰ বৰ্ণনা --

'দৰশিত সুন্দৰ গৌৰ কলেৱৰ
বৈছন সুৰ পৰকাশ
সকলো সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ'— সেই ছবিখনৰ যেন

ৰেখাই ৰেখাই ফুটি উঠিছিল।

শ্ৰীমন্ত শংকৰ ভক্ত ৰাভাদেৱে গুৰু জনাৰ প্ৰতিভা পাহাৰে-ভৈয়ামে গীতৰ মাধ্যমেৰে প্ৰচাৰ কৰি একতাৰ এনাজৰীডাল শক্তিশালী কৰাত অৰিহণা যোগাই এক মহান কৰ্তব্য পালন কৰাৰ উপৰিও যি সুদূৰ প্ৰসাৰী দূৰদৰ্শিতা দেখুৱাই গ'ল সি নিশ্চয় বৰ্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত স্মৰণ যোগ্য আৰু প্ৰণিধানযোগ্য ঃ

'কীৰ্ত্তন, দশম, নাম ঘোষা
হওক আমাৰ শৌৰ্য্য
নাট গীত নাম বৰগীত
হওক ৰণৰ তূৰ্য্য··· ···'

অভিনয়ৰ ক্ষেত্ৰতো ৰাভাৰ দক্ষতা আছিল নিখুঁত। নাটক, চিনেমা আদিত অভিনয় কৰাৰ উপৰিও তেওঁ চলচিত্ৰ নিৰ্মাণ কৰিছিল। কলিকতাৰ ভৱানীপুৰত 'এগ্ৰো পিকচাৰ্চ কৰপ'ৰেশ্যন' নাম দি এটা চলচিত্ৰ নিৰ্মাণ প্ৰতিষ্ঠানো আৰম্ভ কৰিছিল। জ্যোতি প্ৰসাদৰ লগত লগলাগি 'জয়মতী', 'শোণিত কুঁৱৰী', নাটৰ গ্ৰামোফোন ৰেকৰ্ড কৰিছিল। তদুপৰি নিজে কৰা ৰেকৰ্ড সমূহ হৈছে - বেউলা, ৰতনী, বিহুৱতী, জন্মাষ্টমী, ৰৱদৈচিলা, শংকৰদেৱ আৰু মাধৱদেৱ। তেওঁ 'চিৰাজ'ৰ 'আঘোণা, 'কিয়'ৰ 'গেঠু' আৰু 'এৰা বাটৰ সুৰ'ত গাঁৱলীয়া খেতিয়ক 'ভুজলুংকাই'ৰ ভূমিকাত অভিনয় কৰি নিজৰ অভিনয়-প্ৰতিভাৰ যি স্বাক্ষৰ ৰাখি গ'ল সি নিশ্চয় অনাগত দিন বোৰতো অবিস্মৰণীয় হৈ ৰব।

নৃত্য শিল্পী ৰাভাৰ শিৱ নৃত্য আছিল অনবদ্য। বেনাৰস কাশী হিন্দু বিশ্ববিদ্যালয়ত এক বিশেষ সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰিত ৰাভাই অসমৰ বিভিন্ন সত্ৰীয়া নাচ-নাচি সকলোকে মুগ্ধ কৰি উপাচাৰ্যৰ দ্বাৰা বিশেষভাবে পুৰস্কৃত

হৈছিল। অকল সেয়ে নহয়, সেই বিশ্ব বিদ্যালয়তে তেখেতক কলাগুৰু উপাধি প্ৰদান কৰে তেতিয়াৰ ভাৰতৰ ৰাষ্ট্ৰপতি দাৰ্শনিক ৰাধাকৃষ্ণণে।

সাহিত্যিক বিষ্ণু ৰাভাৰ ৰচনাৰ সৰহ ভাগ গীতেই যদিও প্ৰৱন্ধৰ সংখ্যাও তাকৰ নহয়। তেওঁ কিছু কবিতাও ৰচনা কৰিছিল।

ৰাভাদেৱ আছিল সংস্কৃতিৰ মৌ-ৰস গোটাই ফুৰা এক সুনিপুণ অক্লান্ত কৰ্মী। তেওঁৰ কথাৰে, গীতেৰে, সুৰেৰে সেয়ে প্ৰাণ-চঞ্চল খৰস্ৰোতা পাহাৰীয়া নিজৰা এটিৰ দৰে নিৰ্গত হৈছিল তেওঁৰ অন্তৰ ভৰি থকা অসমীয়া সংস্কৃতিৰ মৌ-ৰস :

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিয়া খুলি দুৱাৰ সোনোৱালী
পূজাৰী অ' সুন্দৰ পূজাৰী
যাউতি যুগীয়া বৰগীত অমিয়া
গোৱা অসমীয়া মন প্ৰাণ ভৰি
পূজাৰী অ' ... .. .."

সমকালীন স্বাধীনতাৰ যুঁজ আৰু কমিউনিষ্ট আন্দোলনৰ উভয়তে জৰিত থকা ৰাভাই যেতিয়াই নিপীড়িত, নিস্পেষিত অসমীয়াক জগাই তোলাৰ প্ৰয়োজন অনুভৱ কৰিছিল তেতিয়াই তেওঁ ৰচনা কৰিছিল গান—

"জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন--জোৱান
নিৰ্য্যাতিত নিপীড়িত
কৃষক শক্তি মান।"

ক্ষমতাৰ পৰিবৰ্তনৰ ফলত ভাৰতবৰ্ষ স্বাধীন হ'ল। কিন্তু স্বাধীনতাৰ সু-ফল ভোগ কৰিলে সমাজৰ সুবিধাবাদী শ্ৰেণীটোৱে। সেয়ে মাৰ্ক্স-বাদী ৰাভাই আন আন সতীৰ্থৰ দৰে ১৯৪৭ চনৰ ১৫ আগষ্টত ক'লা পতাকা উৰুৱাই কৈছিল— 'ইয়ে আজাদি জুঠা হ্যায়।'

১৯৪৮-৫২ চনৰ ভিতৰত বিপ্লৱী কমিউনিষ্ট পাৰ্টি যেতিয়া সক্ৰিয় অৱস্থাত আছিল তেতিয়া অসমত কৃষক-বনুৱাৰ ৰাজত্ব স্থাপন কৰাৰ বাবে ৰাভাই সংগঠনত লাগিছিল পুলিচৰ চকুত ধূলি মাৰি। তেনে সময়তে পলাতক ৰাভাৰ দাম চৰকাৰে ঘোষণা কৰিছিল দহ হেজাৰ টকা। পুলিচ চোৰাংচোৱাৰ শেন চকুৰ পৰা হাত সাৰি-বলৈ দহ হেজাৰ টকাৰ মূৰটো লৈ অসমীয়া জাতি-কৃষ্টি-সংস্কৃতিৰ এই প্ৰাণ পুৰুষজনে ঘূৰি ফুৰিছিল গাঁৱলীয়া জন সাধাৰণৰ মাজত। সেই সময়ত ৰাভাক কেতিয়াবা দেখা পোৱা গৈছিল গাঁৱৰ বুঢ়া-মেথাৰ লগত হাইদংগীত, বাইঠ পূজা বা বহুৱা বিহু সম্পৰ্কে আলোচনাত মগ্ন অৱস্থাত অথবা ক'ৰবাত ডেকা-জীয়ৰী এদল গোটাই গীত গাই থকা অৱস্থাত :

"শেষ যুদ্ধৰ আমি ৰণুৱা
পৃথিৱীৰ হালোৱা বনুৱা
হম বিজয়ী আমি দুখীয়া
ক'ত ৰ'বি ধনী এইবাৰ
হুচিয়াৰ হুচিয়াৰ ..."

—উদ্দেশ্যহয় সংস্কৃতিৰ মৌ-ৰস গোটোৱা নহয় সুপ্ত জনতাক শোষকৰ বিৰুদ্ধে জাগ্ৰত কৰা।

১৯৬২ চনত যেতিয়া চীনৰ দ্বাৰা ভাৰত আক্ৰান্ত হয় তেতিয়া চীনৰ গুপ্তচৰ বুলি সন্দেহ

কৰি অন্যায়ভাবে, নির্মমভাবে ৰাভাক গ্ৰেপ্তাৰ কৰা হৈছিল। মুঠতে চৰকাৰৰ দৃষ্টিত ৰাভা বেয়া মানুহ আছিল প্ৰায় ওৰেটো জীৱন। কিন্তু হেজাৰ-বিজাৰ গৰীব কৃষক-বনুৱাৰ বাভা আছিল বুকুৰ কুটুম আশাৰ ৰাঙলি সূৰুষ। সেয়ে হব পায় তেওঁৰ গুণমুগ্ধ ৰাইজে ১৯৬৭ চনত জীৱনৰ বিয়লি বেলাত হলেও তেওঁলৈ যাচিছিল বিধান সভাৰ সদস্য পদ।

বিষ্ণু ৰাভা যে সঁচা অৰ্থৰ অসম তথা অসমীয়া প্ৰেমী আছিল সেই বিষয়ে কাৰো দ্বিমত নাই। কিন্তু আজি-কালি তেওঁৰ জীৱনাদর্শৰ লগত মুঠেই মিল নথকা বহু সুবিধাবাদীয়ে তেওঁৰ আদর্শ আৰু ৰচনাৰ গইনা লৈ নিজ সুবিধা আদায় কৰাত উঠি পৰি লগা দেখা যায় আৰু সময়ে সময়ে কৃতকার্যও হয়। সচেতন ৰাইজে এই বিষয়ে সজাগ দৃষ্টি ৰখা উচিত। আন এটা গুৰুত্বপূর্ণ কথাও এইখিনিতে উল্লেখ কৰা সম্ভৱ অপ্ৰাসংগিক নহব। বিষ্ণু ৰাভাক যদিও কলা-গুৰু আখ্যা দি অহা হৈছে আৰু সেই আখ্যাই যদিও তেওঁৰ কলা সত্তাৰ প্ৰাধান্যকে সূচাই আহিছে এই কথা কিন্তু ঠিক যে তেওঁৰ কলা-সত্তাতকৈ বিপ্লৱী সত্তাটো যেন বেছি প্ৰবল। তেওঁৰ সম্যক মূল্যাঙ্কনত এনেবোৰ কথা চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে।

ব্যক্তি-সত্তাৰ ঠেক গণ্ডীৰ পৰা মুক্ত হৈ জনতা সত্তাত মনে-প্ৰাণে বিলীন হৈ যোৱা এই গৰাকী ঝঞ্ঝা-বিজয়ী ব্যক্তিয়ে যিদৰে এদিনৰ বাবেও পার্থিব অসুৰ শক্তিৰ লগত আপোচ কৰা নাছিল অথবা সেই শক্তিৰ প্ৰতি ভীতিগ্ৰস্ত হোৱা নাছিল, ঠিক সেইদৰে অদূৰত মৃত্যুৰ হাত বাউলি দেখিও তেওঁ কাতৰ অথবা ভীতি বিহ্বল হৈ পৰা নাছিল। সমৰ ক্ষেত্ৰৰ যোদ্ধাৰ দৰে সম্পূর্ণ সহজভাবে আৰু সাহসিকতাৰে প্ৰকৃতিৰ অমোঘ নীতিক স্বাগতম হে জনাইছিল ঃ

“এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিণী
কল্যাণ খৰমান।
পাতনিতে বালো ধেমালি নান্দী
ভংগী সূত্ৰধাৰ
হাঁহি-বিননিৰে ভাও দিলোঁ নানা
বোৱালোঁ অশ্ৰু ধাৰ
আজি হ'ব মোৰ জীৱন নাটৰ
ভাওনাৰ অৱসান।”

১৯৬৯ চনৰ ২০ জুন। বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে' জনতাৰ হৃদয় কঁপাই গীত গাই ফুৰা, নৃত্য কৰি ফুৰা, জনতাৰ দুখত দুখী হৈ কন্দা, সুখত উৎফুল্লিত হোৱা এই গৰাকী বিৰল আৰু বিচিত্ৰ প্ৰতিভাধাৰী ব্যক্তিৰ গুৰু গম্ভীৰ স্বৰ চিৰকালৰ বাবে স্তব্ধ হৈ গৈছিল।

বিষ্ণু ৰাভাৰ ভৌতিক অৱস্থিতি যদিও আমাৰ দৃষ্টিৰপৰা আঁতৰি গৈছে, তেওঁৰ পদ-ধ্বনি কিন্তু অসমীয়া জাতিক, অসমীয়া কৃষ্টি-সংস্কৃতিক ভাল পোৱা প্ৰতিজন ব্যক্তিৰে হৃৎপিণ্ড আৰু ধমনীত আজি ইমান দিনেও একেদৰে বাজি আছে— সময়ত মহাদেৱৰ তাণ্ডৱ নৃত্যৰ দৰে, সময়ত কোনো অনামী যুগনুৰ মাদলৰ শৰদৰ দৰে, সময়ত মালৌ পথাৰৰ বিহু-বলিয়া ডেকাটিৰ উদাত্ত প্ৰাণ-পৰশা বিহু এফাঁকিৰ

দৰে, ঢোলৰ চেওৰ দৰে · · · । অনাগত ভৱিষ্যতৰ শুভ দিনবোৰলৈ সেয়ে আমি এতিয়াও প্ৰতীক্ষাৰত এই আশাৰে আমাৰ মাজৰপৰা আৰু এনে বহু বিষ্ণু ৰাভা ওলাব—আকৌ এদিন যাব—

'চিফুঙৰ সুৰে সুৰে
ই গাঁও, সিগাঁও, সাতো গাঁও
বজন্ জনাই যাবহি।'

---

বিঃ দ্ৰঃ—প্ৰবন্ধটি যুগুত কৰোঁতে সহায় লোৱা কিতাপ :

১। সৈনিক শিল্পী বিষ্ণু ৰাভা। ২। বিষ্ণুপ্ৰসাদ ৰাভা : জীৱন আৰু কৃতি।
৩। লুইতপৰীয়া বিষ্ণু ৰাভা : মানুহজন। ৪। ৰূপকাৰ (১৯৮৬ জুন সংখ্যা)
৫। সুৰবে দেউলবে আৰু আন দুই এখন।

---

'অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি, নিজৰা, নৈ, উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যত বিশালতা আৰু বিৰাটতা লাভ কৰিছে।'

—বিষ্ণু ৰাভা

# অতুল চন্দ্ৰ হাজৰিকাৰ বিহু কবিতা

শ্ৰীভাস্কৰ জ্যোতি দাস
১ম বাৰ্ষিক, উঃ মাঃ ( বিজ্ঞান শাখা )

অসমীয়া সাহিত্যৰ বিভিন্ন ক্ষেত্ৰলৈ সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাদেৱে আগবঢ়োৱা মেটমৰা অৱদানৰ কথা অসমীয়া সাহিত্যৰ পঢ়ুৱৈ সমাজক নকৈ কোৱা নিষ্প্ৰয়োজন। এই নিৱন্ধত তেখেতে বিহুক লৈ লিখা কবিতাসমূহৰ এটা সাধাৰণ আৰু থূলমূল পৰ্যালোচনা কৰাৰহে প্ৰয়াস কৰা হৈছে।

আন আন বিষয়-বস্তুক লৈ তেখেতে যথেষ্ট সংখ্যক কবিতা ৰচনা কৰাৰ উপৰিও বিহুক লৈ ৰচনা কৰা তেখেতৰ বুজন সংখ্যক কবিতা বিভিন্ন আলোচনী, পত্ৰিকা আদিত বিক্ষিপ্ত হৈ আছে। বিহুৰ তাৎপৰ্য, বিবিধ স্থান আৰু নদীৰ লগত থকা বিহুৰ সম্বন্ধ আৰু বিহুৰ লগত বিজড়িত হৈ থকা অসমৰ বুৰঞ্জী আদিয়ে এইবোৰ কবিতাৰ প্ৰধান উপজীব্য।

বিহুৰ বাণী, বিহুজ্যোতি, বিহু নে বিহু ঐ, বিহুশ্ৰী নাই, বিহু পতাকা প্ৰাণিপাত, বিহুৰ আহ্বান, বিহুৰ গণতন্ত্ৰ, বিহু প্ৰণতি আদি কবিতাৰ জৰিয়তে তেখেতে বিহুৰ তাৎপৰ্য ব্যাখ্যা কৰিবলৈ যাওঁতে বিহু যে অসমীয়াৰ বাপতি সাহোন, জাতীয় জীৱনৰ দাপোণ সেয়াতো দাঙি ধৰিছেই, বিহুৰ উলহ-মালহ, লয়লাসপূৰ্ণ নাচ-গীতে কেনেকৈ গোষ্ঠী-ভিন্নতা, ব্যক্তিগত আৰু সামাজিক তথা জাতীয় জীৱনৰ জড়তা, অলসতা, অসূয়া-অপ্ৰীতি আদি নাশ কৰি দেশৰ সংহতি আৰু প্ৰগতিত সহায় কৰে তাকো সোঁৱৰাই দিবলৈ পাহৰা নাই ঃ

সাতাম পুৰুষীয়া শ্ৰীলুইত খনিও
বিহুত উজাই বয়;
মৰিও নমৰে অসমৰ বাইজ
অসমীয়া চিৰ মৃত্যুঞ্জয়।
নানা ভাষী লোক কৰে দোক-মোক
নানা জাতি উপজাতি;
ৰঙালী বিহুৱে দিছে সকলোকে
একেটি ভোগৰ বাটি
একখনি শৰাই একখনি কীৰ্ত্তন
একখনি গামোছা তাত;
থাপনাত থৈ দিছে হৰিধ্বনি
হৃদয় পৰিছে শাঁত।

* * *

বয়স পাহৰি জীৱন উজাৰি
নাচি-বাগি উলাহত;
দেউতা আহিছে, আইতা আহিছে
আহিছে নাচনীহঁত।

[ 'বিহু মিলনৰ সাঁকো' ]

হাজৰিকাদেৱে এই শ্ৰেণীৰ কবিতাবোৰ বহাগ বিহু বা ৰঙালী বিহুকে প্ৰাধান্য দি লিখা যেন

লাগে। কণ্ডালী আৰু ভোগালী কোনোটো বিহুৱে যেন কবিক ৰঙালী বিহুটোৰ সমান আকৃষ্ট কৰিব পৰা নাই। বৰং কঙালী বিহুৱে ৰঙালী বিহুৰ উলহ-মালহ ম্লান কৰাৰ কল্পনাত কবিয়ে কেতিয়াবা আক্ষেপহে প্ৰকাশ কৰা দেখা যায়ঃ

"কঙালী বিহুৱে ৰঙালী বিহুক
খেদিলে কোনোবা কালে"

[ 'বিহু পতাকা প্ৰণিপাত' ]

স্থানৰ নামৰ মাহাত্ম্যই হাজৰিকাদেৱৰ কবি মানসত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। সম্ভৱতঃ কবিক নানা ঠাইৰ পৰা বিহু সম্মিলনত পৌৰোহিত্য কৰিবলৈ আহ্বান কৰাত সেই ঠাইলৈ যোৱাৰ কথা ভবাৰ লগে লগে সেই ঠাইৰ নাম, মাহাত্ম্য আৰু তৎ সংশ্লিষ্ট বুৰঞ্জী তেখেতৰ মানস পটত উদ্ভাসিত হৈছিল আৰু সেইবোৰ তেখেতৰ ছন্দময় কবিতাত প্ৰকাশ লাভ কৰিছিল। সেয়েহে শৰাইঘাট, শোণিতপুৰ, ৰজাদুৱাৰ, ৰংপুৰ, গণেশ গুৰি, বৰ্ডিয়া, মেঘালয়, তিনিচুকীয়া, চম্পকনগৰ, পলাশবাৰী, কলংপাৰ, ধুবুৰী আদি বিভিন্ন ঠাইৰ বিভিন্ন বৰ্ণনা সেই সেই ঠাইবোৰৰ ঐতিহাসিক বৈশিষ্ট্যেৰে তেখেতৰ এই শ্ৰেণীৰ কবিতাত জীৱন্ত হৈ ধৰা দিছে। অকল সেইবোৰ ঠাইৰ বৰ্ণনা কৰিয়ে তেখেতে এৰা নাই, সেইবোৰ ঠাইৰ লগত পোন পতীয়াকৈ বা আওপাকে জড়িত থকা ব্যক্তি আৰু সেইবোৰ ঠাইৰ আশে-পাশে থকা অন্যান্য নৈ-নিজৰা বা স্থানৰ লগত সংশ্লিষ্ট অতীত ইতিহাসৰ চমৎকাৰ আৰু তেজোদ্দীপক কাহিনীবোৰো মনোগ্ৰাহী ভাষাত উল্লেখ কৰি বিস্মৃতিত বিলীন হৈ থকা গৌৰৱময় অসম বুৰঞ্জীৰ একো একোটা অধ্যায়ত তেখেতে আবেগ জড়িত পোহৰ নিক্ষেপ কৰিছে। উদাহৰণ স্বৰূপে, তেখেতে কলংপৰীয়া বিহু কবিতাত শংকৰ গুৰুকে আৰম্ভ কৰি কিম্বদন্তীৰ বুৰঞ্জী প্ৰসিদ্ধ মূলাগাভৰু, পূৰ্ণানন্দ বুঢ়াগোহাঁই আদি বীৰ সকল আৰু ইংৰাজী বাইবেল পুথি অসমীয়ালৈ অনুবাদ কৰোঁতা আত্মাৰাম শৰ্মা আৰু স্বনামধন্য আনন্দি ফুকন, বলদেৱ মহন্ত, ৰত্নেশ্বৰ, গুণাভিৰাম বৰুৱা, সূৰ্য কুমাৰ ভূঞা, ৰত্নকান্ত বৰকাকতী, বিৰিঞ্চি বৰুৱা, ভোগেশ্বৰী, কমলানন্দ ভট্টাচাৰ্য ইত্যাদি অনেক প্ৰসিদ্ধ লোকৰ শ্ৰদ্ধাবনত স্মৃতিচাৰণ কৰিছে।

স্বদেশ আৰু প্ৰদেশপ্ৰেমী হাজৰিকাদেৱৰ কবিতাবোৰত স্থান বিশেষৰ দুৰ্দশাৰ কথা বেজাৰ-সিক্ত ভাষাত প্ৰকাশ পোৱা দেখা যায়। পলাশবাৰীৰ বৰ্ণনা দিবলৈ গৈ সেয়ে কবিয়ে পলাশবাৰীৰ ওচৰৰ বিজয়নগৰৰ নাম সুঁৱৰি কৈছে—

"নামত যদিও বিজয়নগৰ
কামত দেখোন একোতো নাই;
সাউদৰ পুতেকে পেটৰ ভোকত দুৱাৰে দুৱাৰে
টোকাৰী বায়।
মিৰ্জাই হাঁহিছে গিৰ্জানি মাৰি বীৰ লাচিতৰ
ভিকহু নাতি;
কি হব মাতিলে ভীমৰ বচন, জীৱন যুঁজত
সদায় ঘাটি।"

কিন্তু সেইবুলি তেওঁ বেজাৰৰ কবি নহয়। আকাশত তেওঁ ক'লা ডাৱৰ দেখা পায় সাময়িক ভাবেহে। সেই ক'লা ডাৱৰ যে বেছি পৰ থাকিব নোৱাৰে সেই সম্পৰ্কে কবি নিশ্চিত। আশাবাদৰ সূৰুযৰ কিৰণেৰে উদ্ভাসিত আৰু উৎসাহিত কবিয়ে আনকো উৎসাহ যোগাবলৈ, স্বকৰ্তব্য সোঁৱৰাই দিবলৈ পাহৰা নাই-

শিপিনীৰ তাঁত শালত লাগিছে কেনা
পূবে ফেঁহুজালিবে দিশ্ ফৰকাল;
বাৰ কৰচ, মনৰ কৰচ
বিহুচেবা হলে হবনে ভাল!
আকাশত উৰে পলাশৰ জুই
বতাহ উৰে ৰাঙলী ৰেণু;
আই অসমীৰ ৰঙা চৰণত
তাৰেই এপাহি নিদিবা জানো?

এনে লাগে যেন বৰ বিহুৱাটোৱে বিহুদলটোৰ আনবোবক পৰিচালনা কৰাৰ ভাৰহে লৈছে!

বিহু অসমীয়া সমাজত হঠাৎ সৃষ্টি হোৱা উৎসৱ নহয়। অসমীয়া জাতিৰ উৎপত্তিৰ ক্রম-বিৱর্তনৰ সোঁতত ক্রমে গঢ় লৈ উঠা ই এটা সাংস্কৃতিক সৌধ। তাৰ বিবিধ আচাৰ-পদ্ধতি আৰু কার্যত আর্য-অনার্যৰ মিশ্রিত উপাদান আজিও স্পষ্ট হৈ আছে। সেয়েহে তাৰ আনু-সংগিক কিছুমান কার্য এসময়ত কেতিয়াবা সমাজৰ এটা অংশই গ্রহণ কৰিলেও আন কিছুমানে হয়তো সেইবোৰকেই নিন্দনীয় বুলি পোনতে পৰিহাৰ কৰিছিল আৰু পিছত তাক পুনৰ আদৰি লৈছে। এই কথাৰ উজনিৰ বিহু নাচ আৰু বিহুগীতেই এটা উদাহৰণ। তথাকথিত সভ্য সমাজে এসময়ত এই বিহুনাচ আৰু গীতক অশ্লীল বুলি হেয়জ্ঞান কৰিছিল আৰু দূৰৰ পৰাহে তাক লুকাই-চুৰকৈ উপভোগ কৰিছিল। আজিৰ পৰা পঞ্চাশ বছৰ পূর্বে কবি ডিম্বেশ্বৰ নেওগে বিহুগীতৰ সংকলন এটি প্রকাশ কৰিবলৈ গৈ সমাজৰ দুই-চাৰিজন নেতৃস্থানীয় লোকৰ পৰা পুৰস্কাৰ স্বৰূপে নিষ্ঠুৰ বাক্যবাণ আৰু গঞ্জনাহে লাভ কৰিছিল। ইয়াৰ কাৰণ আছিল, সেই সময়ত বিহুগীত আৰু নাচক অসমৰ তথাকথিত ভদ্র সমাজে সংস্কৃতিভুক্ত বুলি ল'ব পৰা নাছিল। হাজৰিকাদেৱৰ 'গণেশ গুৰিৰ বিহু' নামৰ এটি কবিতাত সেই সময়ৰ সমাজৰ এখনি তেনে মনোবৃত্তিৰ স্পষ্ট ছবি দেখিবলৈ পোৱা যায়। আজিৰ দৰে নগৰে-চহৰে বিহুনাচ আৰু বিহু-গীতৰ অনুষ্ঠান বিহু উপলক্ষে উদ্‌যাপিত হোৱাটো আজিৰ পৰা কুৰি বছৰ পূর্বে অসমীয়া সমাজত একৰকম অকল্পনীয় যেনেই আছিল। গুৱাহাটী চহৰৰ গাতে লাগি থকা জনজাতীয় গাঁও গণেশ-গুৰিত এসময়ত মুকলি-মূৰীয়াকৈ মিকিৰ ডেকা-গাভৰুৱে বিহু পাতিছিল:

"বেলতলা গণেশ-গুৰিত
মিকিৰ গাভৰুবোৰে
পাহি লাহী পখিলাৰ দৰে
জকি মাৰি উৰি আহিছিল,
চুবুৰীয়া ভৰলুৰ স'তে
নাচোনৰ ফেৰ পাতিছিল।"

এই বিহু আছিল হাবিৰ মাজৰ গছৰ তলৰ বিহু। তাক চাবলৈ চহৰৰ কিছু ভদ্রলোকে গৈছিল আনৰ চকুত নপৰাকৈ, কাৰণ সেই বিহু-নৃত্য তেতিয়াৰ সময়ত চোৰাটো লাজ আৰু দোষৰ কথা আছিল। হাজৰিকাদেৱে তাৰেই ছবি তেখেতৰ কবিতাত এনেদৰে আঁকিছে:

নগৰীয়া বিহুৱে তেতিয়া
দেখা নাই জন্মৰ পোহৰ
অনাঘ্রাত বনফুল পাহিৰ নিচিনা
আছিল তেতিয়াৰ বিহু

নগবব চকুব আঁতব ।
কোৱা শুনিছিলোঁ—
সেই বিহু উদ্দাম প্রেমব
নহয় দর্শনযোগ্য ভাল মানুহব ।

অসমব বিহুগীত আৰু বিহুনাচক অসমীয়া সাহিত্যিকসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈয়ে মাথোন পোন প্ৰথমে সাহিত্যত সমাদৰ জনায় তেখেতৰ একাধিক ঐতিহাসিক উপন্যাসৰ মাধ্যমেৰে। তাৰ খতিয়ান দাঙি ধৰি হাজৰিকাদেৱে কৈছে—

ৰজনীকান্তই মাথো লাজ-কাজ কাতি কৰি
বিহুৱতীহঁতক আনি আদৰি সাদৰি
সাহিত্য চ'ৰাত দিলে বৰপীৰা পাৰি ।

তেতিয়া সেই চুচুক-চামাক লাজকুৰীয়া চহৰীয়া ভাল মানুহবোৰেই আজি হয়তো চহৰত বিহু সন্মিলন পাতি বিহুনাচ আৰু বিহুগীতক অভ্যৰ্থনা জনাইছে :

'সেই ভাল মানুহসকলেই আজি
নগৰত বিহুতলী পাতে
নিজান বনত ফুলা বিহুৱতী মাতে ।
গণেশৰ বিহু আজি কার্তিকেও চায়
বঙিলী পমিলীহঁতে তাকে দেখি নাক কোচায় ।'
[ চহৰৰ বিহু সন্মিলন ]

পথাৰৰ পৰা চহৰৰ মাজ মজিয়ালৈ আহি অসমীয়াৰ চেনেহৰ ৰঙালী বিহুৱে আজি তাৰ মৌলিক, অকৃত্ৰিম নিভাঁজ ৰূপ-বহণ বহুখিনি হেৰুৱাই পেলাইছে । চহৰৰ বিহু আচল বিহুৰ এটা প্ৰতিধ্বনি বা অপচ্ছায়া মাত্ৰ । সেয়ে বোধকৰো হাজৰিকাই কৈ গৈছে :

'গণেগগুৰিৰ বিহু আছিল তেজাল ;
আজিৰ বিহুত কিন্তু সোমাল ভেজাল ।
মুকলিমূৰীয়া মন আজি কাৰো নাই ;
কাঠ হাঁহি মাৰোঁ আমি বিহুনাম গাই ।'

হাজৰিকাৰ বিহু কবিতাত বিহুৰ আগমনত প্ৰকৃতিও সচেতন আৰু সক্ৰিয় হৈ উঠিছে। উদাহৰণ স্বৰূপে লুইত, ভোগদৈ, কলং, ভৰলু আদি নৈ কেতবোৰে কবিতাৰ বিষয়-বস্তু হিচাপে হাজৰিকাদেৱৰ কবিতাত প্ৰতিষ্ঠা লাভ কৰাটো মন কৰিবলগীয়া । কবিৰ কল্পনাত এই নৈবোৰে যেন অসমীয়া জাতীয় জীৱনৰ উৎসাহ, অনুপ্ৰেৰণা, শৌর্য-বীর্য সঞ্চাৰক ধমনী স্বৰূপ :

'কুলি কেতেকীয়ে গগনা পেঁপাৰে
দিলেহি বিহুৰ জান ;
উঠিল ভৰলু চাৰি-পাতি এৰি
উলাহে উতলা প্ৰাণ ।'
[ 'ভৰলুৰ বিহু' ]

* * *

'কোন ক'ত আছা নগঞা ভোটাই
অসমীয়া ডেকা দল ;
কলঙৰ সতে বিহু মাৰি মাৰি
দেশ ৰাখিবৰ হ'ল ।'
[ 'কলঙৰ বিহু' ]

অসমীয়া সমাজৰ বিশেষকৈ গ্ৰাম্য সমাজৰ নিত্য ব্যৱহাৰ্য বিবিধ সামগ্ৰী, ৰীতি-নীতি, অসমৰ মাটি, আকাশ, নৈ, হাবি-বননি, চৰাই-চিৰিকতি, পশু-পক্ষী আদিৰে বিৰঞ্জিত হৈ থকা বিহুগীত বোৰৰ প্ৰচলিত টুকুৰাবোৰ হাজৰিকাদেৱে তেখেতৰ বিহু কবিতাবোৰত সময়ে সময়ে ব্যৱহাৰ কৰি

ব্যৱহাৰ কৰি কবিতবোৰ অসমীয়া সমাজৰ ৰূপ-ৰস গোন্ধেৰে ভৰাই তোলে—

চ'তে গৈ গৈ বহাগ পালেহি,
ফুলিলে ভেবেলী লতা;
চাপৰি চাপৰি তুলি যাওঁ বাবৰি;
অতি মৰমৰ মুগাৰে মহুৰা,
অতি মৰমৰ মাকোঁ,
তাতোকৈ চেনেহৰ
ৰঙালী বিহুটি নাপাতি কেনেকৈ থাকোঁ।
পোতা পুখুৰীত বাক বজা হ'ল;
বিহুৱতী চৰায়ে কৰে বিহু বিহু .........

বৰ্তমান যুগত ৰাজনীতিয়ে ব্যক্তি আৰু সমাজৰ সকলো ক্ষেত্ৰতে সু-প্ৰভাৱৰ লগতে কম-বেছি পৰিমাণে অশুভ প্ৰভাৱো বিস্তাৰ কৰিছে। হাজৰিকাদেৱৰ কবিতা কেতবোৰত সেই প্ৰভাৱৰ কথাও প্ৰতিফলিত নোহোৱাকৈ থকা নাই।

'ক্ষমতা থকত দুই চকু অন্ধ
দশোদিশে স্বাৰ্থ বাট-পথ বন্ধ
দেশ-প্ৰেম ভোট-প্ৰেম হ'ল;
কৌটি কৌটি টকা কৰি পানী
স্বৰ্গ শিলঙত পাতি ৰাজধানী
লালসাৰ জ্বলাওঁ দাবানল।

[ 'বিহু-সেৱা ]

মুঠতে হাজৰিকাদেৱৰ বিহু কবিতাবোৰ অসমীয়া জাতীয় জীৱনৰ জীৱন্ত প্ৰতিধ্বনি আৰু জাতীয় ইতিহাসৰ উৎকৃষ্ট স্মৃতি সঁফুৰা বুলি ক'লেও অত্যুক্তি কৰা নহয়। ❁

---

নিবন্ধটি যুগুত কৰোঁতে বিভিন্ন কিতাপ, আলোচনী আৰু পত্ৰিকাৰ পৰা বিভিন্ন ধৰণে কৃতজ্ঞতা স্বীকাৰেৰে সহায় লোৱা হৈছে।

বিশেষকৈ শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ 'হাজৰিকাৰ বিহু কবিতা' নামৰ প্ৰবন্ধটিৰ পৰা বিভিন্ন ধৰণে সহায় লোৱা বাবে তেখেতলৈ আমাৰ বিশেষ কৃতজ্ঞতা থাকিল।

---

অসম আৰু অসমীয়া জনমানসৰ নিৰ্ভুল দাপোণ বিহু। অসমৰ পাহাৰ-পৰ্বত, পশু-পক্ষী, নৈ-বিল, পথাৰ-প্ৰান্তৰ, ফুল-ফল, বৰ্ণ-গন্ধ আৰু তাৰ মাজত কৰ্মৰত নৰ-নাৰীৰ এনেকুৱা প্যানোৰামা ভাৰতৰ লোক সঙ্গীতত বিৰল। বিহুগীতৰ সাহিত্যিক আৰু সাংগীতিক ভেটিৰ ওপৰতেই ৰই আছে অসমীয়া সংস্কৃতিৰ উপসৌধটি।

—হেমাঙ্গ বিশ্বাস।

( উক্তিৰ অসমীয়া ৰূপান্তৰ )

# বিহঙ্গম দৃষ্টিত অসমীয়া লোক-সাহিত্য

মিচ্‌ মায়া ৰাণী বড়ো
২য় বার্ষিক, উঃ মাঃ

স্থুল অৰ্থত পৃথিৱীৰ সকলো সাহিত্যকে দুটা ভাগত বিভাজন কৰিব পাৰি। এটা হ'ল শিক্ষিত সমাজত প্ৰচলিত লিখিত ভাষাৰ সাহিত্য আৰু আনটো চহা গাঁৱলীয়া সমাজত মুখে মুখে চলি অহা কথিত ভাষাৰ সাহিত্য। দ্বিতীয় বিধেই হ'ল লোক সাহিত্য তথা মৌখিক সাহিত্য। এই কথা প্ৰণিধানযোগ্য যে শিক্ষিত সমাজৰ লিখিত ভাষাৰ সাহিত্য গ্ৰাম্য সমাজৰ মৌখিক সাহিত্যৰ পৰিশোধিত তথা পৰিমাৰ্জিত ৰূপ। পোনপটীয়া কথাত, লিখিত সাহিত্যৰ মূল উপজীব্য হৈছে গ্ৰাম্য সাহিত্য। ম্যাক্সিম গৰ্কীয়ে সেয়ে কৈছিল-"We must realise that it is masses' labour that is the chief organiser of culture and creator of all ideas.........I would again draw your attention to the fact that most profound, striking and artistically perfect types of heroes have been created by folklore, the oral creation of the working people."

সাধাৰণতে লোক সাহিত্যবোৰ গীতিপ্ৰধান। ইয়াত গীতেই প্ৰাধান্য লাভ কৰে। অসমীয়া লোক সাহিত্যৰ ভিতৰত উল্লেখযোগ্য শাখা প্ৰশাখাসমূহ হ'ল- (১) লোক গীত, (২) ফকৰা-যোজনা আৰু প্ৰৱচন, (৩) সাধুকথা। সাহিত্যৰ দৃষ্টিত লোক গীতৰ মূল্য বেছি। লোক গীত-বোৰক সাহিত্যৰ বুৰঞ্জী লেখকসকলে তলত দিয়া ধৰণে ভাগ কৰিছে - (১) অনুষ্ঠানমূলক। যেনে— বিহুগীত, আইনাম, বিয়ানাম, ইত্যাদি। (২) আখ্যানমূলক - যাক ইংৰাজীত বেলাড (Ballad) বোলা হয়। যেনে- মণি কোঁৱৰৰ গীত, ফুল কোঁৱৰৰ গীত, বৰফুকনৰ গীত ইত্যাদি। (৩) বিবিধ বিষয়ক। যেনে - নিচুকণি গীত, গৰখীয়া গীত, নাও খেলৰ গীত, ওজাপালি ইত্যাদি।

অনুষ্ঠানমূলক গীতবোৰ নাৰী সমাজত বেছি জনপ্ৰিয় আৰু প্ৰচলিত। দেৱ-দেৱীৰ পূজা-পাতল অসমীয়া সমাজত পুৰণি কালৰ পৰাই চলিয়ে আহিছে। সেয়ে বসন্ত ওলালে সাত গৰাকী আই বা দেৱীৰ ভাই-ভনীক সন্তুষ্ট কৰাৰ উদ্দেশ্যে 'আইনাম' গোৱা হয়।

দুখীয়াৰ ঘৰলৈ আইলোক আহিছে
দিবলৈ নাইকিয়া একো।
মূৰৰে কেশেৰে পাৰে মলচিমে,
দেহৰে পাৰি দিম সাঁকো॥

লক্ষ্মীপূজাত অথবা পথাৰৰ লখিমী চপোৱাত গোৱা গীতক লখিমী সবাহৰ গীত বোলা হয়।

অসুখ অশান্তি হ'লে বা বয়স অনুপাতে ল'ৰা-ছোৱালীৰ শাৰীৰিক বিকাশ নহ'লে অপেচৰী দোষ লগা বুলি চোতালৰ মাজত অপেচৰা সবাহ পাতি আইসকলে গীত গায়। সহজ-সৰল ভাষা, ভাব তথা অনুভূতিৰ কমনীয়তা আৰু আন্তৰিকতা এই গীতবোৰৰ লক্ষণীয় বৈশিষ্ট্য।

অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানৰ বিভিন্ন অৱস্থাত আয়তীসকলে গোৱা বিয়া নামবোৰ লোক-সাহিত্যৰ অমূল্য সম্পদ। বিয়া নামবোৰৰ ভিতৰত পানী তোলা, মাহ-হালধি সনা, অধি-বাস, দৰা-কইনা সজোৱা, সুৱাগুৰি তোলা, দৰা আদৰা, দৰা-কইনাক আশীৰ্বাদ দিয়া আদি উপ-লক্ষে গোৱা গীতসমূহে প্ৰধান। সম্প্ৰদান কৰি-বলৈ লোৱা কন্যাৰ আসন্ন বিচ্ছেদৰ কাৰুণ্য নাৰী জীৱনৰ ভাব-অনুভূতি, আশা-আকাঙ্খা, কইনাই মাক-দেউতাকৰ ঘৰত কটোৱা দিনৰ মৌ-মিঠা স্মৃতিৰ ৰোমন্থন, নতুনকৈ যাবলগীয়া ঘৰৰ অচিনাকি পৰিবেশৰ প্ৰতি কন্যাৰ হিয়া দুৰু দুৰু কৰা ভয় আদিয়ে এইবোৰ গীতৰ বিষয়বস্তু হৈ পৰে। বিয়া নামবোৰ সাধাৰণতে দুই ধৰণৰ। এক ধৰণৰ নামবোৰত গহীন আৰু ৰুচিপূৰ্ণ পৰিবেশৰ সৃষ্টি কৰি ৰভাতলিত ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ আদি পৌৰাণিক চৰিত্ৰসমূহৰ বিয়াৰ বৰ্ণনা কৰা থাকে:

জনক ৰজাৰ জীয়ৰী সীতা আইদেউৰ
স্বয়ম্বৰ পাতিছে;
দেশৰ ৰজা-মহাৰজাক
নিমন্ত্ৰণ কৰিছে,
হৰি মোৰ অই
সীতা আইদেউ মাটিত বাগৰি কান্দিছে,
অযোধ্যাৰ ৰামচন্দ্ৰই হৰধনু ভাঙিছে।'

ইত্যাদি। আনহাতে আন ধৰণৰ নামবোৰৰ সুৰ লঘু আৰু ৰচনা কৌতুকপূৰ্ণ। যেনে—

"ঠুন্ ঠুনি শাকৰে বোজা ঐ ৰাম ৰাম
ঠুন্ ঠুনি শাকৰে বোজা
কন্যাৰে মাকে নৰিয়াত পৰিছে
দেখতে নাপালো ওজা।"

বিয়া নামবোৰত কৰুণ, হাস্য, শান্ত আদি ৰসৰ সমাবেশ হোৱা দেখা যায়। তিৰোতাৰ স্বাভা-ৱিক কাব্য-প্ৰতিভা আৰু সৌন্দৰ্যবোধৰ স্বাক্ষৰ বিয়া নামবোৰে সুন্দৰকৈ প্ৰতিফলিত কৰে।

অনুষ্ঠানমূলক গীতসমূহৰ ভিতৰত বিহুগীত আৰু বনগীত অধিক জনপ্ৰিয় আৰু জনমানসত সিবোৰৰ মূল্যও যথেষ্ট। বিহুগীতবোৰ প্ৰেম আৰু যৌৱনৰ যেন চিৰন্তন চিত্ৰ। ডেকা-গাভৰুৰ অন্তৰত হোৱা প্ৰেমৰ সঞ্চাৰ, প্ৰেমৰ বিকাশ, বিৰহ-বিচ্ছেদ আদি চহা গাঁৱলীয়া পৰিবেশৰ মাজেৰে এই গীতবোৰত সুন্দৰভাৱে প্ৰকাশ পাইছে:

লংগুটি আনিবা, খাম ঐ লাহৰী,
জাই গুটি আনিবা খাম।
থুৰিয়াই থুৰিয়াই, তামোল কাটি দিছিলা,
তাৰ মাজত দিছিলা লং।

০ ০ ০ ০ ০ ০

বহোঁ তাঁতশালত চকু আলিবাটত
মাকোঁ সৰি সৰি পৰে।
আহ কি নাহে ঐ মোৰ ধন চেনাই ঐ
চিৰি পাতি মণ্ডলে চাওঁ।

বিবিণাৰ নাজতে তামোল থৈ আহিছোঁ,
হেৰা পালো বুলি খাবি ।
কাঁচি দলি মাৰি ঘৰলৈ ঘূৰিলোঁ
ওঁঠতে ৰলে খালে ।

বিহুগীতৰ এনেধৰণৰ এশ একুৰি উদাহৰণত ওপৰত উল্লেখ কৰি অহা ভাব অনুভূতিবোৰ এইদৰেই কমনীয় আৰু ৰমণীয় ৰূপত প্ৰকাশ পায় ।

বনগীত বিহুগীতৰ প্ৰায় সমধৰ্মী । বনগীত সমূহত সাধাৰণতে স্বভাৱ কবিয়ে কৰা প্ৰকৃতিৰ নদ-নদী, প'হাৰ-ভৈয়াম, গছ-গছনি, চৰাই-চিৰিকতি আদিৰ সৰল সাৱলীল বৰ্ণনা, চেনেহীৰ দেহক প্ৰকৃতিৰ বিতোপন বস্তুৰ লগত বিজাই কৰা বৰ্ণনা বুৰঞ্জীয়ে গৰকা ঘটনা আদিৰ বৰ্ণনা সততে চকুত পৰে ·

চেনাইৰে চকুলৈ চাবকে নোৱাৰি
যেন পূৰ্ণিমাৰে জোন ।
০ ০ ০ ০ ০
হাতলৈ কি চাবা হাতীৰ শুঁৰে যেনে
ভৰিবনো কি চ'বা গোট ।
০ ০ ০ ০ ০
দেউতা মহাৰজাই পুখুৰী খনালে
নাম থ'লে গৌৰী সাগৰ । ইত্যাদি

আখ্যান মূলক লোকগীত সমূহক মোটা-মুটিকৈ তিনি ভাগত ভাগ কৰিব পাৰি । যেনে— (১) বুৰঞ্জী মূলক, (২) কিম্বদন্তী বা জনশ্ৰুতি মূলক আৰু (৩) কাল্পনিক ।

বুৰঞ্জীমূলক গীতৰ ভিতৰত বৰফুকনৰ গীত. হৰদত্ত বীৰ দত্তৰ কুঁ গীত, নাহৰৰ গীত, জয়মতীৱৰীৰৰ গীত আদি প্ৰধান । বুৰঞ্জী মূলক গীতবোৰ সাধাৰণতে করুণ ৰসাত্মক । ইতিহাসত পোৱা কাহিনীৰ ভিত্তিত এইবোৰ স্বভাৱ কবিয়ে নিজ ৰহণ সানি ৰচনা কৰিছিল । কিম্বদন্তী বা জনশ্ৰুতিমূলক গীতৰ ভিতৰত জনা গাভৰুৰ গীত, ফুল কোঁৱৰৰ গীত, মণি কোঁৱৰৰ গীত. কমলা কুঁৱৰীৰ গীত প্ৰসিদ্ধ । বাৰমাহী গীত আৰু মধুমতীৰ গীত আদিয়ে কাল্পনিক দুঃসাহসিক ঘটনা, বীৰত্ব, প্ৰেম, বেদনা, ঘৃণা, পুতৌ আদি মানৱ অন্তৰৰ বিভিন্ন ভাৱ-অনুভূতি প্ৰকাশ কৰে । এইবোৰৰ উপৰিও আন লোক গীতসমূহ হ'ল নিচুকনি গীত, নাও খেলাৰ গীত অথবা গৰখীয়া, নৰণা-মৰা, ধান কটা, মাছ মৰা আদিক লৈ ৰচা গীতসমূহ ।

অসমীয়া নিচুকনি গীত লোক-সাহিত্যৰ অন্যতম সম্পদ । পৃথিৱীৰ সকলো ভাষাতে নিচুকনি গীতৰ প্ৰচলন দেখা যায় । সাধাৰণতে শিশুক শান্ত কৰিবলৈ আৰু টোপনি নিয়াবলৈ মাকে নিচুকনি গীত গায় । সেই বাবে শিশুক লৈ ৰচিত এই গীতবোৰ পুৰণি হ'লেও সদায় নতুন । গীতবোৰৰ মাজেৰে শিশুৰ মন, স্বভাৱ, ভাৱধাৰা আৰু শাৰীৰিক সৌন্দৰ্যৰ প্ৰকাশ পোৱা দেখা যায় । শিশুৰ মন কল্পনা প্ৰৱণ, যুক্তি নিৰ্ভৰশীল নহয় । সেয়ে এই গীতবোৰত যুক্তিৰ অভাৱ প্ৰায়ে পৰিলক্ষিত হয় ঃ

শিয়ালীয়ে নাহিবি ৰাতি
তোৰে কাণে কাটি লগামে বাটি ।

নন্দৰাণী যশোদাই সেয়ে শিশু কৃষ্ণক টোপনি নিয়াবলৈ চেষ্টা কৰি গাইছে ঃ

ঘুমটি যায়োৰে অৰে কানাই

হুৰে কাণ-খোৱা আসে ।
সকলো শিশুৰ কাণ খাই খাই
আসয় তোমাব পাশে ॥

যশোদা আৰু কৃষ্ণৰ কথা আৰু কার্যৰ বর্ণনা থকা এনেোবৰ গীতৰ মাজেদি গাঁৱলীয়া সমাজৰ আদৰুৱা অথচ চেঁঙৰ শিশু এটা আৰু এজনী মৰমিয়াল নাতৃৰ ছবি জীৱন্ত ৰূপত চিত্রিত হোৱা দেখা যায় । গীতৰ শাৰীৰৰ ক্লান্তি, অৱসাদ দূৰ কৰিব পৰা আৰু মানুহৰ মনত উৎসাহ-উদ্যম আনিব পৰা সঞ্জীৱনী শক্তি অনস্বীকার্য । মাছ মৰা, ধান কটা, নাও খেলা আদি কামত সেয়ে সেই সেই উপলক্ষে ৰচিত গীতবোৰ গোৱা হয় ।

ইয়াৰোপৰি ফকৰা-যোজনা, সাঁথৰ আৰু প্ৰৱচনসমূহ লোক-সাহিত্যৰ পৰা বাদ দিব নোৱাৰি । এই আটাবোৰতে গাঁৱলীয়া জীৱনৰ সজীৱ চিত্র পোৱা যায় । গাঁৱলীয়া জীৱনত এই প্রবাদবোৰৰ সঘন প্ৰচলনৰ কাৰণ হৈছে— সেইবোৰৰ জৰিয়তে সহজ-সৰল ভাষাত আৰু কম কথাতে একোটা দীঘলীয়া ভাব প্রকাশ কৰিব পাৰি । যেনে-- "মাছৰ তেলেৰে মাছ ভজা", "আঁঠুৰা চাই ঠেং মেলা", "বেজীৰ জলাকো নমনে, কুঠাৰৰ জলাকো নমনে" ইত্যাদি । প্রবাদ-বোৰৰ সাহিত্যিক সৌন্দর্য আৰু ভাবৰ ঘনত্ব প্ৰণিধানযোগ্য ।

সাঁথৰবোৰ লোক-সাহিত্যৰ প্রাচীনতম সৃষ্টি যেন লাগে । সাঁথৰবোৰ মনত ৰখাৰ বাবে সুন্দৰ ৰচনা । এশাৰীতে সুধিব পৰা প্রশ্নটো হয়তো শ্ৰুতি-মধুৰ কৰিবলৈ সময়ে সময়ে অপ্রয়োজনীয় বর্ণনাৰে দীঘলীয়া কৰা হয় ঃ

"শদিয়ালৈ নাযাবা সৎফুল নাখাবা
কেঁচা পাতত নিদিবা লোণ
উপজিয়ে লড় মাৰে কোন।"

সাঁথৰবোৰ মানুহৰ বুদ্ধিমত্তাৰ প্ৰাচীন ৰূপ । তলত কেইটামান সাঁথৰ আৰু লগতে উত্তৰো দিয়া হ'ল—

(১) আলি আলি যায় মূৰ দাঙি চায় ।
উত্তৰ ঃ বেজী ।

(২) এন্নু এন্নু ধৰিবৰ নাই ঠেন্নু ।
উত্তৰ ঃ কণী ।

(৩) এডাল হাড়, হেজাৰ হেজাৰ নোম,
ঘৰৰ পিচত বহি আছে লোধম ধম ।
উত্তৰ ঃ খেৰৰ পুঁজি ।

লোক-সাহিত্যৰ যিটো সম্ভৱ আটাইতকৈ আকর্ষণীয় শাখা সেয়া হৈছে সাধুকথা । প্রাচীন কালৰে পৰা প্রচলিত হৈ অহা এই সাধুকথা-বোৰৰ জনপ্রিয়তা আজি বিজ্ঞানৰ যুগতো যেন শেষ হৈ যোৱা নাই । গৰমকালি ফৰকাল ৰতৰত জোনাকৰ স্নিগ্ধ পোহৰত চোতালত ঢাৰি-পাতি আইতাৰ মুখৰ পৰা বুঢ়া-বুঢ়ী, দৈত্য-দানৱ, ভূত-প্ৰেত, দায়িনী-যখিনী, ৰাক্ষস-গন্ধর্ব, ৰাজকুমাৰ-ৰাজকুমাৰী আদিৰ লোমহর্ষক, অলৌ-কিক, দুঃসাহসিক কাহিনী অথবা সৰল-সহজ প্রেম-বিৰহ, মৰম-চেনেহ, দয়া-কৰুণা, অত্যাচাৰ-উৎপীড়ন আদি মানৱীয় আবেদন-অনুভূতিৰে সিক্ত সাধুবোৰ শুনাৰ প্ৰৱণতা আজিকালিও কেৱল নাতি-নাতিনীহঁতৰে নহয়, সময়ে সময়ে সিবোৰে ব্যস্ত বয়সিয়াল মানুহৰ মনকো দোলা

দি যায়। অবদমিত হৈ থকা কোনো আধুনিক মনৰ 'নষ্টালজিয়া' ( Nostalgia ) যেন খন্তেকৰ বাবে সাৰ পাই উঠে। এই সাধুকথাসমূহৰ বৈশিষ্ট্য হৈছে—ইয়াৰ কোনো স্থিৰ ৰূপ (form) নাই। নিজৰ কল্পনা শক্তি আৰু সাহিত্যিক প্ৰতিভাৰ সামৰ্থ অনুযায়ী স্ৰষ্টাবোৰে ইয়াৰ ৰূপ-দান কৰিছিল আৰু সিয়ে সময়ৰ হাত-বুলনিত বাগৰি-যুগুৰি আহি আজিৰ ৰূপ পাইছে।

অসমীয়া লোক-সাহিত্যৰ এয়া থূলমূল এক অংকন মাত্ৰ। যি কোনো ভাষাৰ লোক-সাহিত্য যে সেই ভাষাৰ অমূল্য আৰু অতুলনীয় সম্পদ সেই কথাৰ সত্যতা একেষাৰ কথাতে গ্যেটে ব্যক্ত কৰি গৈছে : Folktale is the father of all fiction and folksong is the mother of all poetry.

[ প্ৰৱন্ধটি যুগুত কৰোঁতে কৃতবিদ্য কেবাগৰাকী সাহিত্যিক, সমালোচক আৰু লোকসঙ্গীত বিশাৰদৰ ৰচনাৰ কৃতজ্ঞতা স্বীকাৰেৰে সহায় লোৱা হৈছে। ]

"মহাভাৰতৰ ৰথৰ ধূলি উৰে/তুগলকাবাদত/অশোকচক্ৰত ঘূৰে ভৱিষ্যতৰ মুখ/নিয়ম লাইটত অস্পষ্ট, ৰেখাহীন ভাবৰ আৱেশ/নদীয়ে নদীয়ে চলোদ-বণিত।"

—ভবেন বৰুৱা

# দক্ষিণ আফ্ৰিকাৰ বৰ্ণ-বৈষম্যবাদ আৰু নেলচন মেণ্ডেলা

শ্ৰীলক্ষীকান্ত শৰ্মা
অধ্যাপক, ইতিহাস বিভাগ

দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গ জাতীয়তাবাদী নেতা নেলচন মেণ্ডেলাৰ বিষয়ে কবলৈ যোৱাৰ আগতে দক্ষিণ আফ্ৰিকাৰ শ্বেতকায় চৰকাৰৰ বৰ্ণ-বৈষম্যবাদৰ বিষয়ে কিছু কথা আলোচনা কৰাৰ প্ৰয়োজন। ইয়াত এই বিষয়ে সামান্য আভাসহে দাঙি ধৰা হ'ল। বৰ্ণ-বাদৰ পটভূমি আছিল শ্বেতকায় ইউৰোপীয় শক্তিবৰ্গৰ আফ্ৰিকালৈ আগমন। এই শ্বেতকায় ইউৰোপীয়সকল প্ৰথমে দাস ব্যৱসায়ী হিচাপে আফ্ৰিকালৈ আহিছিল। পাছত তেওঁলোকে আফ্ৰিকাৰ বিভিন্ন প্ৰান্তত উপনিবেশ স্থাপন কৰি সেইবোৰ ঠাইৰ শাসন ক্ষমতা হস্তগত কৰিছিল। এই উপনিবেশ সমূহত ইউৰোপীয় সাম্ৰাজ্যবাদী শক্তিসমূহে তেওঁলোকৰ বৰ্ণগত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ লগতে ঔপনিবেশিক স্বাৰ্থ কায়েম কৰাৰ কাৰণে নিজা নিজা শাসন নীতিৰ অৱতাৰণা কৰিছিল। এনে শাসন নীতিত স্বাভাৱিকতে শাসক আৰু শাসিতৰ মাজত সম্বন্ধৰ ব্যৱধান অতি বেছি আছিল। এই নীতিৰ চৰম ৰূপ প্ৰকাশ পাইছিল দক্ষিণ আফ্ৰিকাৰ ক্ষেত্ৰত।

তিনিওফালে মহাসাগৰেৰে পৰিবেষ্টিত আফ্ৰিকা মহাদেশৰ একেবাৰে দক্ষিণৰ ভূ-খণ্ডই হ'ল ওলন্দাজ আৰু ইংৰাজ বংশোদ্ভূত শ্বেতকায় শাসনাধীন বৰ্ত্তমানৰ দক্ষিণ আফ্ৰিকা। ইয়াৰ মুঠ জন সংখ্যাৰ শতকৰা তিনি ভাগ আছিল শ্বেতাঙ্গ আৰু বাকী-খিনি কৃষ্ণাঙ্গ (বাণ্টু সম্প্ৰদায়ৰ)। এই সংখ্যা-লঘু শ্বেতাঙ্গ শাসক সকলে সংখ্যা গৰিষ্ঠ কৃষ্ণাঙ্গ সকলৰ ওপৰত নিজৰ প্ৰভুত্ব তথা শাসনৰ বাঘজৰী অক্ষুন্ন ৰখাৰ উদ্দেশ্যে বৰ্ণবাদী নীতিৰ (Policy of Aperthcid or Racial Separation) প্ৰচলন কৰিছিল। এই নীতিৰ অৰ্থ আছিল এয়ে যে কৃষ্ণকায় লোকখিনিক যিমানদূৰ সম্ভৱ হয় শ্বেতকায় সকলৰ পৰা আঁতৰাই ৰখা। এনে বৰ্ণবাদী নীতিৰ বিষবৃক্ষ ঔপনিবেশিক আমোলৰ লগে লগেই ৰোপণ কৰা হৈছিল যদিও ১৯৪৮ খৃঃত শ্বেতাঙ্গ নেচনেলিষ্ট দলৰ চৰকাৰ গঠনৰ পৰাহে বৰ্ণভিত্তিক পৃথকীকৰণ আইন আৰু চুক্তি কঠোৰভাৱে কাৰ্য্যকৰী কৰিবলৈ লোৱা হয়।

দক্ষিণ আফ্ৰিকা চৰকাৰৰ এই বৰ্ণভিত্তিক পৃথকীকৰণ নীতিয়ে দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গ লোকসকলক এক নিপীড়িত আৰু নিষ্পেষিত জাতিত পৰিণত কৰে। স্ব-ভূমিতে এই লোক সকলে মানুহে ভোগ কৰিব পৰা নিম্নতম অধিকাৰ খিনিও হেৰুৱাই পেলায়। শ্বেতাঙ্গসকলে বসবাস কৰা চহৰ অঞ্চলৰ পৰা কৃষ্ণাঙ্গ লোকসকলক খেদি পঠিওৱা হ'ল। তেওঁলোকক "বাণ্টুস্তান"

বা বাণ্টু সংৰক্ষিত অঞ্চলত থাকিব দিয়া হ'ল। তেওঁলোকৰ চলাচলত বাধা আৰোপ কৰা হ'ল আৰু আগতীয়া অনুমতি নোহোৱাকৈ শ্বেতাঙ্গৰ কাৰণে সংৰক্ষিত অঞ্চলত তেওঁলোকে ভ্ৰমণ কৰিব নোৱাৰা হ'ল। শ্বেতাঙ্গ সকলৰ লগত তেওঁলোকে একেলগে গাড়ীত উঠিব বা ফুৰা-চকা কৰিব নোৱাৰিব। শিক্ষানুষ্ঠান সমূহতো শ্বেতাঙ্গ সকলৰ লগত একেলগে পঢ়া-শুনা নোৱাৰিব। বৃত্তিমূলক চাকৰি-বাকৰিৰ পৰাও তেওঁলোকক আঁতৰাই ৰখা হ'ল। ইয়াৰ উপৰি বৰ্ণবাদী আমোলৰ যিকোনো বিৰোধীতাক কঠোৰভাৱে দমন কৰাৰ ক্ষমতা চৰকাৰৰ হাতত দি আইন প্ৰণয়ন কৰা হ'ল।

কৃষ্ণাঙ্গ নিগ্ৰোসকলৰ দৰে দক্ষিণ আফ্ৰিকাত বসবাস কৰা ভাৰতীয় সকলো বৰ্ণবাদ নীতিৰ বলি হয়। "Group Area Act" নামৰ আইনৰ জৰিয়তে তেওঁলোকক সমৃদ্ধ চহৰবোৰৰ পৰা অনায়াসে উচ্ছেদ কৰিব পৰা হৈছিল। ১৯৬০ খৃঃত ব্ৰিটেইনিয়া ভ্ৰমণ কৰা "নিউ ইয়ৰ্ক টাইমছ"ৰ বাতৰি যোগনীয়াৰ এজনে এটা প্ৰসঙ্গত উল্লেখ কৰা মন্তব্য এটাত বৰ্ণ-বৈষম্যৰ সুন্দৰ আভাস এটা পোৱা যায়। তেওঁ ক'বৰ দৰে, "the individual Native has no vote ; owns no land, lives where he is told to, travels with a pass and suffers under the most segregation system in all the world." মুঠতে বিভিন্ন আইন-কানুন প্ৰৱৰ্ত্তন কৰি কৃষ্ণাঙ্গ সকলক শ্বেতকায় সকলৰ পৰা সম্পূৰ্ণ পৃথক কৰি ৰখা হয়।

শ্বেতকায় চৰকাৰৰ এই বৰ্ণ বৈষম্য নীতি কিন্তু প্ৰত্যাহ্বানৰ সমুখীন নোহোৱাকৈ নাথাকিল। বৰ্ণবাদ নিৰ্মূলৰ বাবে কৃষ্ণাঙ্গ সকলে প্ৰতিবোধ আন্দোলন আৰম্ভ কৰিলে। ৰাষ্ট্ৰসংঘৰ ফালৰ পৰাও বৰ্ণ-বৈষম্যবাদ নিন্দিত হ'ল। কিন্তু ইয়াৰ বিপৰীতে দক্ষিণ আফ্ৰিকা চৰকাৰে মানৱ অধিকাৰ উলংঘা কৰি কৃষ্ণাঙ্গ সকলৰ ওপৰত সৰ্বপ্ৰকাৰ অমানুষিক আৰু অমানবীয় নিৰ্যাতন চলাই গৈছে। বৰ্ণ বিদ্বৰ বিৰোধী প্ৰতিটো আন্দোলনৰ বিৰুদ্ধে প্ৰিটৰিয়া চৰকাৰৰ উত্তৰ হয়—পুলিচ বাহিনী লগাই আন্দোলন মৰিমূৰ কৰা আৰু কাৰাদণ্ড বিহা। চমুকৈ কব লাগিলে লাঠি-গুলি আৰু জেল। চৰকাৰৰ দমন নীতি যিমানে কঠোৰ হৈছে জনগণৰ চেতনাও সিমানে বেছি জাগ্ৰত হৈ পৰিছে।

দক্ষিণ আফ্ৰিকাৰ বৰ্ণবিদ্বেষৰ বিৰুদ্ধে সজোৰে আন্দোলনৰ উত্তাল তৰঙ্গৰ জোৱাৰ বোৱাই দিয়া দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গ জাতীয়তাবাদী নেতা-সকলৰ ভিতৰত অন্যতম হ'ল নেলচন মেণ্ডেলা। কৃষ্ণাঙ্গ এই নেতাজন বৰ্ত্তমান বিশ্বৰ প্ৰধান প্ৰধান কাকতবোৰৰ শিৰোনামাত। প্ৰিটৰিয়াৰ বৰ্ণবাদী চৰকাৰে তেওঁক যাৱজ্জীৱন কাৰাদণ্ড বিহি কাৰাৰুদ্ধ কৰি ৰাখিছে। তেওঁৰ মুক্তিৰ দাবী আজি অকল আফ্ৰিকাতে সীমাবদ্ধ হৈ থকা নাই। তেওঁৰ মুক্তিৰ দাবীত বিশ্বৰ বিভিন্ন দেশ সৰৱ হৈ উঠিছে। এই মুক্তি নেলচন মেণ্ডেলাৰ মুক্তি নহয়ঃ নিষ্পেষিত নিৰ্যাতিত জনগণৰ মুক্তি। কিন্তু দক্ষিণ আফ্ৰিকাৰ বৰ্ত্তমানৰ বোথা চৰকাৰে। P. W Both --the Presi-

dent of South Africa) বিশ্ব জনমতৰ প্ৰতি কোনো কাণসাৰ কৰা নাই।

দক্ষিণ আফ্ৰিকাৰ কৃষ্ণাঙ্গ সকলৰ মুক্তি আন্দোলনৰ নেতা নেলচন মেণ্ডেলাৰ জন্ম হৈছিল আজিৰ পৰা প্ৰায় ৭০ বছৰ আগতে। (১৮ জুলাই, ১৯৮৮ ত তেওঁৰ ৭০ বছৰীয়া জন্ম জয়ন্তী উৎযাপিত হয় বিশ্বৰ বিভিন্ন প্ৰান্তত অতি উলহ-মালহেৰে)। ১৯৫৫ খৃঃত দক্ষিণ আফ্ৰিকা চৰকাৰৰ বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে আফ্ৰিকান নেচনেল কংগ্ৰেছৰ নেতৃত্বত যি আন্দোলন গঢ়ি উঠিছিল সেই সময়ত নেলচন মেণ্ডেলাই যুৱ নেতা হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ মনোমোহা ব্যক্তিত্বই অগণন কৃষ্ণাঙ্গ যুৱক-যুৱতীক আকৰ্ষণ কৰিছিল ৰাজপথলৈ - প্ৰিট'ৰিয়া চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ। এইসকল যুৱক-যুৱতীৰ ভিতৰত এগৰাকী মহিয়সী যুৱতীও আছি-ছিল– যাৰ নাম তেতিয়া আছিল নোমজামো মাদিকি জেলাৰ ওৰফে উইনিফ্ৰেড। এই উইনিফ্ৰেডে ১৯৫৮ খৃঃত নেলচনৰ লগত বিবাহ-পাশত আবদ্ধ হয় আৰু তেওঁৰ সংগ্ৰামী জীৱনৰ সহযাত্ৰী হয়। তেতিয়াৰ পৰাই উইনি মাদিকি জেলাৰ উইনি মেণ্ডেলা নামে খ্যাত হয়।

ইতিমধ্যে শ্বেতাঙ্গ চৰকাৰে আফ্ৰিকান নেচনেল কংগ্ৰেছক নিষিদ্ধ ঘোষণা কৰিছিল। চৰকাৰৰ কঠোৰ দমন নীতিৰ ফলত নেলচনে আত্মগোপন কৰিব লগা হ'ল। কিন্তু পুলিচৰ শেন চকুৰ দৃষ্টি নেলচনে এৰিব নোৱাৰিলে। ১৯৬২ খৃঃত নেলচন মেণ্ডেলা পুলিচৰ হাতত ধৰা পৰিল। ৰাজদ্ৰোহৰ অপৰাধত নেলচনৰ যাৱজ্জীৱন কাৰাদণ্ড হ'ল। তেতিয়াৰ পৰাই এই পৰ্যন্ত এই সংগ্ৰামী বীৰ নেতা গৰাকী কাৰাগাৰৰ চাৰিবেৰৰ মাজত নিসঙ্গ বন্দী জীৱন যাপন কৰি আছে। কাৰা-গাৰৰ সুদীৰ্ঘ বন্দী জীৱনে সদ্যহতে তেওঁলৈ অপৰি-হাৰ্যভাবে আনি দিছে ক্ষয় ৰোগৰ অভিশাপ। তথাপিও হতাশ তেওঁ তিলমাত্ৰও হোৱা নাই। সুদীৰ্ঘ ছাব্বিছ বছৰে জেল জীৱন কটাই নিজৰ জীৱন আৰু আদৰ্শেৰে উদ্বুদ্ধ কৰি হেজাৰ হেজাৰ কৃষ্ণাঙ্গ যুৱক-যুৱতী আৰু নৰ-নাৰীক বাঞ্ছিক লক্ষ্যৰ ফালে আগুৱাই নিয়া নেলচন মেণ্ডেলাৰ চকুত এতিয়াও প্ৰদীপ্ত স্বপ্ন: কাৰাগাৰৰ পৰা মুক্তি লভি কৃষ্ণকায় লোকসকলৰ ন্যায্য আৰু মৌলিক অধিকাৰসমূহ সাব্যস্ত কৰিব নিজৰ মাতৃভূমি দক্ষিণ আফ্ৰিকাত। কিন্তু তেওঁৰ মুক্তিৰ বাবে বিশ্বব্যাপী গঢ়ি উঠা জনমতৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈ নিৰ্বিকাৰ হৈ থকা প্ৰিট'ৰিয়া প্ৰশাসনে তেওঁক মুক্তি দিয়ে নে নিদিয়ে বিশ্ববাসীৰ সন্মুখত সেয়া আজি এক বিৰাট প্ৰশ্ন।

---

যিহেতু মোৰ স্বামী এজন কাৰাবন্দী সেয়ে নিৰ্দ্ধাৰিত ৪০ মিনিটীয়া সাক্ষাৎকাৰতকৈ বেছি সময় মই নলওঁ, কিয়নো আইন কাৰাবন্দীৰ ক্ষেত্ৰতো একে নিয়মেই প্ৰযোজ্য।

—উইনি মেণ্ডেলা

# মহাভাৰতৰ শিখণ্ডী ঃ আজিৰ দৃষ্টিত

শ্ৰীমদন চন্দ্ৰ কাকতি
অধ্যাপক, অসমীয়া বিভাগ

বিজ্ঞানৰ সাম্প্ৰতিক দুৰূহ আৰু বিস্ময়কৰ আবিষ্কাৰ সমূহে মানৱজ্ঞানৰ যিবোৰ নৱ নৱ উত্তৰণ-মুখী দিগন্তৰ সন্ধান দিছে তাৰ পুনৰুক্তি বাহুল্য মাত্ৰ। নিসন্দেহে এই আবিষ্কাৰবোৰ মানৱৰ পৰ্যবেক্ষণ, সূক্ষ্ম বিচাৰ-বিশ্লেষণ, অক্লান্ত পৰীক্ষা-নিৰীক্ষা আৰু সাধনাৰ ফলশ্ৰুতি। কিন্তু পৌৰাণিক যুগৰ অলৌকিক সাধন বোৰ? পুৰাণ, মহাভাৰত আদিতে নহয়, আন আন ধৰ্মগ্ৰন্থ সমূহতো বহু অলৌকিক কাহিনীয়ে বিস্তাৰ স্থান লভি আছে। ভগবান যীশুৱে তেওঁৰ কৰুণাময় হাতৰ এটি মৃদু পৰশেৰে পাপী, তাপী, দুৰাৰোগ্য ৰোগীৰ দুখ আৰু ৰোগ নিৰাময় কৰিব পাৰিছিল বুলি জনা যায়। (যাৰ বিজনি সাম্প্ৰতিক কালত হয়তো মাদাৰ টেৰেছাত আমি বিচাৰি চাম)। একে জাতীয় উদাহৰণ ইচলাম ধৰ্মতো বিৰল নহয়। আজিৰ বৈজ্ঞানিক যুগত বিজ্ঞান-সন্ধানী মনে এইবোৰ দৈৱিক শক্তিৰ প্ৰভাৱ বুলি মানি নললেও, এইবোৰৰ কিছুমান কিন্তু কৃচ্ছ্ৰ সাধনাৰে আয়ত্ব কৰা সেইসকল মহান পুৰুষৰ যোগ্যতা আৰু ইচ্ছাশক্তিৰ ফলশ্ৰুতি বুলি ভবাৰ অৱকাশ হয়তো আছে।

আজিৰ বিজ্ঞানৰ আশ্চৰ্যপূৰ্ণ আবিষ্কাৰ সমূহৰ লগত পৌৰাণিক যুগৰ ওপৰোক্ত কাহিনীবোৰৰ নিচিনা কাহিনীবোৰ হুবহু বিজাব নোৱাৰিলেও এটা কথা। কিন্তু যুক্তিৰ ভিত্তিত সহজে অনুমান কৰিব পাৰি। কথাটো হ'ল আজিৰ দৰে বিজ্ঞানৰ অকল্পনীয় উন্নতি নহলেও সেই যুগতো বিজ্ঞানৰ চিন্তা-চৰ্চা হৈছিল আৰু সমাজত এনে এক বৈজ্ঞানিক চিন্তা-চৰ্চাৰ পৰিবেশ আছিল যিয়ে সেই সময়ৰ লেখক-লেখিকা, কবি-সাহিত্যিক সকলক ঠিক সঁচা অৰ্থৰ বিজ্ঞান ভিত্তিক ৰচনা নহ'লেও বিজ্ঞানৰ অনাবিষ্কৃত সম্ভাৱনাপূৰ্ণ কোনো কথা বা তথ্যৰ অস্পষ্ট ইঙ্গিত দিয়া ৰচনা সৃষ্টি কৰিবলৈ উদগাইছিল। মহাকাব্যত উল্লেখিত ইন্দ্ৰৰ বজ্ৰ আদিয়ে আমাক আজি কালি যুঁজাৰু বিমান আৰু তাৰপৰা নিক্ষেপ কৰা মাৰণাস্ত্ৰ সমূহৰ কথা মনত পেলাই নিদিয়েনে? আপেক্ষিক ভাবে বহুকাল পাছৰ ৰচনা হলেও শ্বেক্সপীয়েৰৰ 'মেক্‌বেথ'ৰ এটা উদাহৰণ অপ্ৰাসঙ্গিক নহব। ক্ষমতালিপ্সু মেক্‌বেথে দায়িনীৰ ভৱিষ্যত বাণীকে সাৰোগত কৰি যেতিয়া অটল বিশ্বাস লৈ আছিল যে মাইকী মানুহৰ পৰা জন্ম পোৱা কোনো মানুহে তেওঁক বধ কৰিব নোৱাৰে, যুদ্ধক্ষেত্ৰত মেক্‌ডাফে মেক্‌বেথক হত্যা কৰাৰ আগতে মেক্‌-বেথৰ সেই ভুল ভাঙি দি কৈছিল যে তেওঁ (মেক্‌ডাফে) আন মানুহৰ দৰে জন্ম পোৱা